দৈনিক অগ্ৰদূত 4/6/2002



■ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ হকে স্মাৰকপত্ৰ

# আন্তঃৰাষ্ট্ৰীয় পৰ্যটন কেন্দ্ৰ গঢ়ি তোলাৰ দাবী

বিশেষ সংবাদদাতা

বৰপেটা, ৩ জুন ঃ বৰপেটা জিলাৰ উত্তৰ প্ৰান্তত অৱস্থিত মানাহ ৰাষ্ট্ৰীয় উদ্যান। ব্যাঘ্ৰ প্ৰকল্প নামে পৰিচিত মানাহ ৰাষ্ট্ৰীয় উদ্যানক শেহতীয়াভাৱে হস্তী প্ৰকল্পৰূপে ঘোষণা কৰাৰো যো-জা চলি আছে। কিন্তু বিশ্ব ঐতিহ্যপূৰ্ণ স্থান, জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষিত অঞ্চল মানাহ উদ্যানখন সম্প্ৰতি ধ্বংসৰ ফালে গতি কৰিছে।

বিগত বড়ো আন্দোলনৰ সময়ছোৱাত ক্ষতিগ্ৰস্ত হোৱা ভূএগপাৰা আৰু পাণবাৰী বন কাৰ্যালয় দুটাৰ লগতে উদ্যানখনৰ ভিতৰত থকা খণ্ড বন কাৰ্যালয়ৰ কেইটা পুনৰ কাৰ্যক্ষম কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বৰঞ্চ কিছুমান স্বাৰ্থান্বেষী বিভাগীয় কৰ্মচাৰীৰ অৱহেলাৰ ফলতে মানাহ বৰ্তমান চোৰাং কাঠ ব্যৱসায়ীৰ ৰম্যভূমিত পৰিণত হৈছে। এনেকৈ আৰু কিছু বছৰ চলি থাকিলে সমগ্ৰ বনাঞ্চল যে এদিন মৰুভূমিত পৰিণত হ'ব সেয়া ধ্ৰুৱ সত্য। এতিয়াও চোৰাং কাঠ ব্যৱসায়ীসকলে অবিৰামভাৱে মানাহৰ পৰা চোৰাং কাঠৰ সৰবৰাহ কৰি আছে আৰু চোৰাং চিকাৰীসকলেও নিৰ্বিঘ্নে বহুমূলীয়া জীৱ-জন্তু নিধন কাৰ্য অব্যাহত ৰাখিছে।

সেয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে উদ্যানখনক সুৰক্ষাৰ দাবী জনাই যোৱা ২৮ মে'ত প্ৰকৃতিপ্ৰেমী গ্ৰীণ মানাহে বৰপেটা জিলা উপায়ুক্তৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ১৩ টা দাবী সম্বলিত স্মাৰকপত্ৰত জনোৱা দাবীবোৰ হ'ল— ভূএগপাৰা, পাণবাৰী আৰু খণ্ড বন কাৰ্যালয়সমূহ মেৰামতি কৰি কৰ্মচাৰীসকলৰ থকাৰ সুব্যৱস্থা কৰা, মথনগুৰীৰ দক্ষিণে প্ৰায় তিনি কিলোমিটাৰ দূৰত্বৰ ফুলগুৰীৰ, বেঁকীৰ গৰাখহনীয়া প্ৰতিৰোধকৰণ, পাণবাৰী আৰু ভূএগপাৰা বনাঞ্চলৰ মাটি বেদখলৰ পৰা মুক্তকৰণ, পৰ্যটক আকৰ্ষণৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানক 'আন্তঃৰাষ্ট্ৰীয় পৰ্যটন কেন্দ্ৰ' ৰূপে গঢ়ি তোলা, আত্মসমৰ্পণ কৰা চোৰাং চিকাৰীসকলৰ বাবে সংস্থাপনমূলক বিশেষ আঁচনি গ্ৰহণ কৰা, বৰপেটাৰোডৰ পৰা মানাহলৈ যোৱা গড়কাপ্তানী পথৰ পুনৰ নিৰ্মাণ তথা কালপানীৰ দলংখন পকীকৰণৰ ব্যৱস্থা কৰা, মানাহৰ পৰা প্ৰতি দিনে পাণবাৰী, কাহিতেমা, ভূএগপাৰা আৰু শিমলাৰে বৃহৎ পৰিমাণৰ কাঠ চোৰাং ব্যৱসায়ীসকলে উলিয়াই অনা পথটো প্ৰতিৰোধৰ ব্যৱস্থা কৰা, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ সীমাৰ বাট-পথ-দলং আদি পুনঃ নিৰ্মাণ কৰা আৰু মানাহৰ নিকটৱৰ্তী গাঁওসমূহত আত্মসংস্থাপনমূলক আঁচনি কাৰ্যকৰী কৰা আদিয়ে প্ৰধান।

■ শৈক্ষিক পৰি

## ছাত্ৰীক অশ

অগ্ৰদূত বাৰ্তা

বিহালী, ৩ জুন ঃ পূব বিহা
কাৰ্যত লিপ্ত হোৱাৰ অভিযো
প্ৰাক্তন ছাত্ৰ আৰু অভিভাৱ
উপাধ্যায়ে সভাপতিত্ব কৰে
অভিযোগ উঠিছে। যিটো বি
এক আলোচনাৰ বিষয় হৈ
উল্লেখযোগ্য যে উক্ত সভা
শিক্ষকক এই বিদ্যালয়ৰ প
শিক্ষক দুজন বিদ্যালয়লৈ
অভিভাৱকসকলে বিদ্যালয়
বঞ্চিত দত্ত্বও উপস্থিত থাকে
আৰু ছাত্ৰ-ছাত্ৰীক বিদ্যালয়
অঞ্চলটোৰ কে'বাজনো শিক্ষ
আলোচনা কৰি শিক্ষকক

## অবৈধ ক

অগ্ৰদূত বাৰ্তা

কমলপুৰ, ৩ জুন ঃ যোৱা
নেতৃত্বত যোৱা বন বিভাগ
মিল জব্দ কৰি আনে। জানি
বিগত দুবছৰ ধৰি চলাই অ
কৰাৰ পাছত ২১ মে'ত মি
টকা মূল্যৰ উক্ত মিলটো,
আছিল আৰু বন বিভাগে